6th Sem, As, Major
4th (604) Paper

# অসমীয়া চুটিগল্পৰ ইতিহাস

## প্ৰস্তাৱনা

আমাৰ স্নাতক পাঠ্যক্ৰমটোত অসমীয়া চুটিগল্পক ৪ টা ভাগ; যেনে অৰুণোদয় আৰু জোনাকী যুগৰ গল্প (১), আৱাহন যুগৰ গল্প (২), জয়ন্তী যুগৰ গল্প (৩) আৰু সাম্প্ৰতিক যুগৰ গল্প (৪) ত বিভক্ত কৰা হৈছে। শিক্ষাৰ্থীসকলে ১, ২, ৩ আৰু ৪ অধ্যায় কেইটা ভালদৰে পঢ়িলে অসমীয়া চুটিগল্পৰ সম্পূৰ্ণ ধাৰণা পাব।

[illegible]

5th Sem'ৰ
Major- 4th paper ৰ মাজত
প্ৰথম গোটৰ ১৫ নম্বৰৰ বাবে

অসমীয়া চুটিগল্পৰ উদ্ভৱত
জোনাকীৰ অৱদান এই উত্তৰটো
আছে।

লেখাটো পঢ়িলে সকলো প্ৰশ্নৰ
উত্তৰ কৰিব পাৰিব

অসমীয়া চুটিগল্পই সময়ৰ এক দীৰ্ঘ পৰিক্ৰমাৰ মাজেৰে আহি বৰ্তমানৰ স্তৰত উপনীত হৈছেহি। সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ কলমেৰে আগবাঢ়ি অহা আধুনিক অসমীয়া চুটিগল্প আছিল আলোচনীকেন্দ্ৰিক। অসমীয়া চুটিগল্পৰ উদ্ভৱ আৰু বিকাশৰ ক্ষেত্ৰত আলোচনীসমূহে একো-একোটি যুগৰ সৃষ্টি কৰিছিল। সাহিত্যৰ আলোচকসকলে অসমীয়া চুটিগল্পৰ এনে যুগ পৰিক্ৰমাক জোনাকী যুগ (১৮৮৯-১৯২৮), আৱাহন যুগ (১৯২৯-১৯৪৯), ৰামধেনু যুগ (১৯৫০-১৯৬৯) আৰু উত্তৰ ৰামধেনু যুগ বা সাম্প্ৰতিক যুগ (১৯৭০ ৰ পৰা বৰ্তমানলৈ) বুলি চিহ্নিত কৰিছে। অৱশ্যে যুগ বিভাজনৰ চন-তাৰিখৰ ক্ষেত্ৰত সমালোচকসকলৰ মাজত মতভেদ আছে।

বিশ্বৰ আন আন দেশৰ দৰে অসমীয়া চুটিগল্পৰ জন্ম আৰু বিকাশত বাতৰি কাকত তথা আলোচনীৰ ভূমিকা গুৰুত্বপূৰ্ণ। ১৮৪৬ চনত প্ৰকাশিত প্ৰথম অসমীয়া বাতৰিকাকত 'অৰুণোদই'তে বিভিন্ন সাধুকথা, আখ্যান আদিৰ জৰিয়তে আধুনিক চুটিগল্পৰ জন্মৰ উকমুকনি আৰম্ভ হয়। ইয়াৰ পিছতে অসমৰ দ্বিতীয়খন সাহিত্য আলোচনী জোনাকীয়ে অসমীয়া চুটিগল্পৰ বিকাশত বিশেষভাৱে অৰিহণা যোগায়। লক্ষ্মীনাথ বেজবৰুৱাই আধুনিকতাৰ বীজ বহনকাৰী প্ৰাচীন সাধুকথা কিছুমানৰ লিখিত ৰূপ দিছিল এই 'জোনাকী'ৰ (১৮৮৯) পাততেই, *ঘৰপতা ককা, মূলা খোৱা বুঢ়া* আদি সাধুকথা আৰু *কৃপাবৰী বৰুৱাৰ* যোগেদি। আধুনিক চুটি গল্পৰ ইতিহাস আৰম্ভ কৰে 'জোনাকী'ৰ চতুৰ্থ বছৰ চতুৰ্থ সংখ্যাত(১৮৯২) প্ৰকাশিত বেজবৰুৱাৰ '*সেউতী*' নামৰ প্ৰথম অসমীয়া চুটিগল্পটোৱে। ইয়াৰ পাছত বেজবৰুৱাই 'জোনাকী' ষষ্ঠ বছৰত (১৮৯৪) *ভদৰী, অনিদ্ৰা, ভেমপুৰীয়া মৌজাদাৰ, মিলাৰামৰ আত্মজীৱনী* আৰু নৱম বছৰ (১৮৯৭)ত *চোৰ* গল্প লিখি উনবিংশ শতিকাৰ শেষ দশকত অসমীয়া চুটিগল্পক এক সু-সংহত ৰূপ প্ৰদান কৰে। পৰৱৰ্তী কালত ১৯০১ চনৰ জোনাকীতো বেজবৰুৱাই *আৰ্জি, চেনীচম্পা, কেহোঁককা, জয়ন্তী, পুত্ৰৱান পিতা* আদি গল্পৰে অসমীয়া চুটিগল্পৰ ভঁৰাল টনকিয়াল কৰি তোলে। তেনেদৰে ১৯০৯ খ্ৰীঃত বেজবৰুৱাৰ দ্বাৰা সম্পাদিত 'বাঁহী' আলোচনীতো তেওঁৰ কেইবাটাও গল্প প্ৰকাশিত হয়।

একে বছৰতে বেজবৰুৱাৰ প্ৰথম অসমীয়া চুটি গল্পৰ সংকলন (১৯০৯) সুৰভি প্ৰকাশিত হয়। তাৰ পাছত ক্ৰমে *সাধুকথাৰ কুকি* (১৯১০), *জোনবিৰি* (১৯১৩) আৰু *কেহোঁকলি* (১৯৬৭) প্ৰকাশ পায়। বেজবৰুৱাই প্ৰাচীন সাধুকথাসমূহৰ প্ৰেৰণা লৈয়েই চুটিগল্প ৰচনা কৰিছিল, কিন্তু গল্পৰ ক্ষেত্ৰত চুটিগল্প নামটো ক'তো ব্যৱহাৰ কৰা নাছিল। সেয়েহে বেজবৰুৱাৰ এই গল্পবোৰৰ আংগিক, বিষয়বস্তু আৰু চৰিত্ৰ-চিত্ৰণলৈ চালে দেখা যায় যে, তেওঁ সাধুকথা (Tale) আৰু চুটি গল্পৰ (Short Story) মাজত কোনো স্পষ্ট সীমাৰেখা নিৰ্ধাৰণ কৰি লোৱা নাছিল। ঊনবিংশ শতিকাৰ পাশ্চাত্য গল্পকাৰসকলৰ দৰে চুটিগল্পক Articles বা Sketch বা Tale শব্দৰে চিহ্নিত কৰাৰ লেখীয়াকৈ বেজবৰুৱাইও তেওঁৰ ভদৰীৰ দৰে এটা সাৰ্থক চুটিগল্পকো 'এই খিনিতে আমাৰ এই বেগেতীয়া সাধুটি শেষ কৰি দিলো' বুলি কৈছিল। তেনেদৰে তেওঁৰ চুটিগল্পৰ পুথি এখনৰো নাম ৰাখিছে '*সাধুকথাৰ কুকি*' বুলিহে।

'জোনাকী'ৰ আদৰ্শ সংস্থাপক লক্ষ্মীনাথ বেজবৰুৱা অকল চুটিগল্পৰ জনক হিচাপেই নহয়, অসমীয়া পাঠক সমাজত তাক জনপ্ৰিয় কৰি তোলাৰ ক্ষেত্ৰতো চিৰস্মৰণীয়। তেওঁৰ গল্পবোৰত অসমীয়া সমাজৰ চিত্ৰ চিত্ৰিত হোৱাৰ লগতে ইতিহাস-আশ্ৰিত আৰু জনমানসত প্ৰচলিত কিংবদন্তি আৰু উপাখ্যান আদিৰ মাজেদি ফুটি ওলোৱা সমাজ জীৱনৰ চিত্ৰও সুন্দৰকৈ প্ৰতিফলিত হৈছে। বেজবৰুৱা আছিল সংস্কাৰবাদী, সমাজসচেতন লেখক। তেওঁৰ অধিকাংশ গল্পই সমসাময়িক অসমীয়া সমাজৰ ভিত্তিত ৰচিত। "ঊনবিংশ শতিকাৰ শেষভাগৰ ভাঙোনমুখী, অন্তঃসাৰশূন্য অসমীয়া সমাজখনৰ লগত তেওঁৰ আছিল ঘনিষ্ঠ সম্পৰ্ক। অসমীয়া সমাজৰ ধৰ্ম, সংস্কৃতি, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ প্ৰভৃতি সম্পৰ্কে সম্যকভাৱে জনাৰ তেওঁ সুযোগ পাইছিল।"[৮] তেওঁৰ গল্পবোৰৰ মাজেদি গল্পকাৰ বেজবৰুৱাৰ দুটা ৰূপ প্ৰকাশ পাইছে— "এটা হৈছে তৎকালীন অসমীয়া সমাজৰ নীচতা, হীনতা, অহংকাৰ, ভণ্ডামি, কুসংস্কাৰ আদিক হাঁহিৰ চলেৰে ব্যংগ কৰি সমাজ সংস্কাৰ কৰিবলৈ বিচৰা সমাজ সংস্কাৰক বেজবৰুৱা আৰু আনটো হৈছে সাধাৰণ গাঁৱলীয়া মানুহৰ প্ৰেম-বিৰহ, সুখ-দুখ, হাঁহি-কান্দোনক সহানুভূতিৰে অংকন কৰা মানৱতাবাদী বেজবৰুৱা।"[৯]

বেজবৰুৱাই তেওঁৰ বেছিভাগ গল্পকে সামাজিক সমালোচনাৰ অস্ত্ৰৰূপে ব্যৱহাৰ কৰিছে। "নতুন শাসনৰ লগত খাপ খুৱাব নোৱাৰা আৰু তাৰ সুবিধা লৈ গণ্ডাটোপ হোৱা পুৰণি আৰু নতুন অভিজাত সম্প্ৰদায়ৰ ভেদ ভাঙি দিয়াটোৱেই যেন তেওঁৰ গল্পৰ উদ্দেশ্য।"[১০] বেজবৰুৱাৰ *লাওখোলা*, *ভুৰুকী বৌ* আদি গল্পত বংগদেশৰ বঙালী সমাজখনৰ সম্যক চিত্ৰ প্ৰতিফলিত হৈছে। ইয়াৰ উপৰিও তেওঁৰ গল্পত দেশী-বিদেশী গল্পকাৰৰো প্ৰভাৱ সুস্পষ্ট। বেজবৰুৱাৰ চুটিগল্পৰ আন এটি বিশেষ দিশ হৈছে হাস্য-ব্যংগৰ প্ৰকাশ। কৃপাবৰ বৰবৰুৱাৰ ছদ্মনামত ৰচনা কৰা বেজবৰুৱাৰ কৃপাবৰী মনটোৱে চুটিগল্পক লঘু ৰচনাৰ শাৰীলৈ নমাই আনিব খোজা দেখা যায়। কিন্তু এই কথা স্বীকাৰ্য যে

কাহিনী কথন-ভংগীৰ ফালৰপৰা তেওঁৰ বহুতো গল্পৰ অৱস্থান প্ৰাচীন কালৰ সাধু আৰু আধুনিক যুগৰ চুটিগল্পৰ মাজত হ'লেও তেওঁৰ কেইবাটাও গল্প সাৰ্থক চুটিগল্পৰ বৈশিষ্ট্যৰে পৰিপুষ্ট বুলি ক'ব পাৰি। *কন্যা, ভদৰী, বাপিৰাম, পাতমুগী, কাশীবাসী, ধোঁৱাখোৱা* আদি গল্পত চুটিগল্পৰ প্ৰধান বৈশিষ্ট্য প্ৰতীতি, লক্ষ্য আৰু ফলশ্ৰুতিৰ একমুখিতা আৰু ভাৱৰ ব্যঞ্জনাধৰ্মিতা মন কৰিবলগীয়া। বেজবৰুৱাৰ গল্পত বাস্তৱবাদী সাহিত্যৰ ধাৰা প্ৰৱৰ্তিত হৈছিল বাবেই তেওঁৰ গল্পত নৰ-নাৰীৰ প্ৰেম আৰু মানৱতাবাদী দৃষ্টিভংগীয়ে গুৰুত্বপূৰ্ণ স্থান লাভ কৰিছিল। তেওঁ নাৰী মনৰ চিৰন্তন সত্য আৰু সৌন্দৰ্য পোহৰলৈ অনাৰ বাবে *ভদৰী, জয়ন্তী, পাতমুগী* আদিত নাৰী মনস্তত্ত্বৰ সুন্দৰ প্ৰকাশ কৰিছিল। এনেদৰে লক্ষ্মীনাথ বেজবৰুৱাই সমাজ সংস্কাৰ আৰু ব্যক্তি জীৱনৰ বিভিন্ন বিষয়-বস্তুৰে চুটিগল্পৰ ভেঁটি স্থাপন কৰি অসমীয়া সাহিত্যত আধুনিকতাৰ পথ প্ৰশস্ত কৰিলে।

লক্ষ্মীনাথ বেজবৰুৱাৰ আদৰ্শত স্থাপিত হোৱা জোনাকী যুগৰ চুটিগল্পক সমৃদ্ধ কৰাত বৰঙণি যোগায় শৰৎচন্দ্ৰ গোস্বামী, নকুলচন্দ্ৰ ভূঞা, সূৰ্য্যকুমাৰ ভূঞা, দণ্ডিনাথ কলিতা, লক্ষ্মীনাথ ফুকন, মিত্ৰদেৱ মহন্ত, মহীচন্দ্ৰ বৰা, হলিৰাম ডেকা আদি গল্পকাৰসকলে। সেই সময়ত প্ৰতিখন যুগ সৃষ্টিকাৰী পত্ৰিকাই সমকালীন সমাজ আৰু বৌদ্ধিক জীৱনৰ চিত্ৰ প্ৰতিফলিত কৰিছিল। বেজবৰুৱা প্ৰমুখ্যে এই যুগৰ আন আন গল্পকাৰসকলক অনুপ্ৰেৰণা যোগাইছিল 'জোনাকী'ৰ লগতে 'বিজুলী' (১৮৯০-৯২), 'উষা' (১৯০৭-১৬), 'বাঁহী' (১৯০৯-১৯৩০), 'আলোচনী' (১৯১০-১৭), 'চেতনা' (১৯১৫-২৬), 'মিলন' (১৯২৩), 'সাধনা' (১৯২৪), 'আসাম হিতৈষী' (১৯২৫) আদি পত্ৰিকাসমূহে। বেজবৰুৱাৰ লগতে এই সময়ৰ গল্পকাৰ শৰৎচন্দ্ৰ গোস্বামীয়ে *গল্পাঞ্জলী* (১৯১৪খ্ৰীঃ), *ময়না* (১৯২০ খ্ৰীঃ), বাজিকৰ (১৯৩৯ খ্ৰীঃ) আৰু মৰণোত্তৰভাৱে প্ৰকাশিত *পৰিদৰ্শন* (১৯৫৬ খ্ৰীঃ) আদি গল্পপুথিৰে অসমীয়া চুটিগল্পৰ বিকাশ আৰু বিস্তাৰত এক বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰে। শৰৎচন্দ্ৰ গোস্বামীৰ *নদৰাম* নামৰ জনপ্ৰিয় গল্পটি তেওঁৰ গল্প ৰচনাৰ নৈপুণ্য প্ৰদৰ্শনৰ এটি প্ৰতিনিধিত্বমূলক নিদৰ্শন। উল্লেখনীয় যে, গোস্বামীৰ গল্পই বিষয়-বস্তু, ভাব-বস্তু আৰু ৰূপ-বস্তুৰ ক্ষেত্ৰত বেজবৰুৱাৰ গল্পৰ ৰোমাণ্টিক আদৰ্শবাদৰ বিপৰীতে বাস্তৱধৰ্মী দৃষ্টিভংগীলৈ ঢাল খালে। গোস্বামীও আছিল বেজবৰুৱাৰ দৰে সমাজ সচেতন ব্যক্তি। গোস্বামীয়ে "সাধাৰণ মানুহৰ দুখ-দুৰ্দশা আৰু দুৰ্ভাগ্যৰ বাস্তৱতা, সামাজিক নিপীড়ণ আৰু নিয়তিৰ বিধানৰ কথা মানৱ প্ৰকৃতিৰ দোষ-গুণৰ লগত সাঙুৰি পোনপটীয়াকৈ অনাড়ম্বৰ আৰু সৰল বাক্‌ভংগীৰে দাঙি ধৰিছে।"[১১] *বনৰীয়া প্ৰণয়, সন্ন্যাসিনী, নদৰাম, ঘুনুচা, পশুপতিৰ বিয়া* আদি গল্পত চৰিত্ৰৰ মহত্ত্ব, উদাৰতা, সততা আদি স্পষ্ট ৰূপ ফুটি উঠিছে। মানৱ জীৱনৰ দ্বন্দ্বই হ'ল শৰৎচন্দ্ৰ গোস্বামীৰ গল্পৰ প্ৰধান বিষয়-বস্তু। "এই দ্বন্দ্বৰ ৰূপ অৱশ্যে ব্যক্তি আৰু অৱস্থাভেদে ভিন্নতৰ হৈছে। *ব্ৰহ্মপুত্ৰৰ বুকুত, নদৰাম, তাৰা*, ইত্যাদি গল্পত হৃদয়বৃত্তি বা প্ৰবৃত্তিৰ দ্বন্দ্ব আৰু *ঘুনুচা, নৈৰ দাঁতিত, বসুমতীৰ বিয়া* আদি গল্পত

ব্যক্তি আৰু সমাজৰ দ্বন্দ্ব প্ৰকাশ পাইছে।"[১২] শৰৎচন্দ্ৰ গোস্বামীৰ গল্পৰ ভাব-বস্তু মানুহৰ মৌলিক অনুভূতি তথা হৃদয়বৃত্তিৰ সৈতে যিদৰে গভীৰভাৱে সম্পৃক্ত, সেইদৰে ৰোমাণ্টিক আবেগানুভূতিৰ লগতে বাস্তৱ জীৱন-বৃত্তৰ লগতো জড়িত। মুঠতে কেন্দ্ৰীয়ভাৱ, ঘটনাৰ ঐক্য-সূত্ৰ, চৰিত্ৰৰ বিকাশ আৰু ভাষাৰ মিতব্যয়িতা আদি চুটিগল্পৰ সাধাৰণ লক্ষণৰ স্পষ্ট সমন্বয় গোস্বামীৰ গল্পত পৰিলক্ষিত হৈছে। সেয়ে গল্প ৰচনাৰ ক্ষেত্ৰত "শৰৎচন্দ্ৰ গোস্বামী বেজবৰুৱাৰ অব্যৱহিত পৰৱৰ্তী যোগ্য উত্তৰাধিকাৰী।"[১৩]

শৰৎচন্দ্ৰ গোস্বামীৰ পাছত গল্পসাহিত্যৰ আন এগৰাকী কৃতী সাধক হ'ল দণ্ডিনাথ কলিতা। কলিতাই কবি, নাট্যকাৰ, ব্যংগ লেখক, ঔপন্যাসিকৰূপেও আজীৱন সাহিত্য সাধনাত ব্ৰতী আছিল। ১৯২৫ খ্ৰীঃ মানত প্ৰকাশিত কলিতাৰ *সাতসৰী* নামৰ গল্প সংকলনেৰে তেওঁ গল্প ৰচনাত মনোনিৱেশ কৰে। তেওঁৰ দ্বাৰা ৰচিত গল্প পুথি *সাতসৰী*ত সাতোটা গল্প আছে। দণ্ডিনাথ কলিতাৰ *সাতসৰী*ৰ গল্পবিলাকত সমসাময়িক কালৰ নতুনকৈ শিক্ষা লাভ কৰা ডেকাসকলৰ ক্ৰমাৎ জটিল হৈ আহিব ধৰা জীৱনৰ আভাস ফুটি উঠিছে। তেওঁৰ চুটিগল্পই এটি নিটোল ৰূপ গ্ৰহণ কৰিবলৈ সক্ষম হোৱা নাই। কেতিয়াবা সাধুকথাৰ দৰে একোটা কাহিনীৰ বৰ্ণনাহে মাথোঁ পৰিলক্ষিত হয়। কলিতাৰ গল্প কোৱা ৰীতি পোন আৰু ঠায়ে ঠায়ে শব্দ গাঁথনিৰ মাধুৰ্য থাকিলেও বহু ক্ষেত্ৰত ৰচনা-ৰীতি প্ৰাচীন সাধুৰ সৈতে একে। একাংশ গল্পৰ মাজত প্ৰাকৃতিক সৌন্দৰ্য্যৰ বৰ্ণনা আছে, কিন্তু কাহিনীৰ লগত সামঞ্জস্যহীন। তেওঁৰ চুটিগল্পৰ বিষয় সমাজ-সংস্কাৰ আছিল যদিও ইয়াক শক্তিশালী ৰূপত উপস্থাপন কৰিবলৈ সক্ষম হোৱা নাছিল। সমাজত প্ৰচলিত জাত-কুলৰ বিচাৰ, অৰ্থনৈতিক বৈষম্য আদি সামাজিক সমস্যাবোৰক বিষয়-বস্তু হিচাপে লৈ গল্প ৰচনা কৰিলেও চৰিত্ৰৰ মানসিক দ্বন্দ্ব প্ৰকাশত ব্যৰ্থ হৈছে। এনেবোৰ কাৰণতে হয়তো তেওঁৰ চুটিগল্পই জনপ্ৰিয়তাৰ শাৰীলৈ উঠিব পৰা নাই।

জোনাকী যুগৰ গল্প-সাহিত্যৰ আন কেইগৰাকীমান কৃতী সাধক হ'ল— সূৰ্যকুমাৰ ভূঞা, লক্ষ্মীনাথ ফুকন, নকুল চন্দ্ৰ ভূঞা, মিত্ৰদেৱ মহন্ত, মহীচন্দ্ৰ বৰা, হলিৰাম ডেকা ইত্যাদি। এই গল্পলেখকসকলে জোনাকীয়ে আৰম্ভ কৰা গল্প-পৰম্পৰা বাঁহী, চেতনা, আলোচনী আদি পত্ৰিকালৈ বোৱাই আনিছিল। প্ৰাক্-আৱাহন যুগৰ এই গল্পকাৰসকলৰ ভিতৰত সূৰ্যকুমাৰ ভূঞাৰ (১৮৯৪-১৯৬৪) নাম উল্লেখনীয়। এওঁৰ মাত্ৰ পাঁচোটা গল্পৰ সংকলন *পঞ্চমী*ৰ যোগেদিয়ে গল্পলেখক ৰূপে আত্মপ্ৰকাশ কৰে। ইয়াৰে ভিতৰত মানিক বুঢ়া নামৰ গল্পটি উল্লেখযোগ্য। সূৰ্যকুমাৰ ভূঞাৰ গল্পৰ সংখ্যা সীমিত যদিও তেওঁৰ গল্পৰ এক সুকীয়া মূল্য পৰিলক্ষিত হয়। ভূঞাই সমাজ সমালোচনাৰপৰা বিৰত থাকি ব্যক্তি হৃদয়ৰ গোপন কোণত প্ৰৱেশ কৰি মানৱ-মনৰ মানসিক প্ৰবৃত্তিসমূহক জুখি চোৱাৰ প্ৰয়াস কৰিছিল। "তেওঁ নতুনকৈ গঢ় লৈ উঠা শিক্ষিত মধ্যবিত্ত আৰু গাঁৱৰ সহজ-সৰল মানুহৰ মানসিকতাৰ স্বৰূপ আৰু এই দুই প্ৰকৃতিৰ মানসিকতাৰ দ্বন্দ্বও গভীৰভাৱে গল্পৰ

যোগেদি ফুটাই তুলিবলৈ সক্ষম হৈছে। ঠিক তেনেদৰে, নৰ-নাৰীৰ প্ৰেমানুভূতি প্ৰকাশ কৰাৰ ক্ষেত্ৰতো ভূঞাৰ গল্পই যথেষ্ট পৰিমাণে দক্ষতা প্ৰদৰ্শন কৰিছে। জীৱন সম্পৰ্কে ভূঞাৰ দৃষ্টিভংগী অন্তৰ্মুখী হৈ উঠিছিল যদিও চুটিগল্পৰ কাৰিকৰী কৌশলৰ অভাৱৰ বাবেই ভূঞাৰ গল্পই শিল্পগুণ আয়ত্ত কৰিব নোৱাৰিলে।”[১৪] সেয়েহে ক'ব পৰা যায় যে, ভূঞাৰ গল্পই প্ৰাক্-আৱাহন যুগৰ গল্পৰ যোগেদি আৱাহন যুগৰ গল্পৰ বাট মুকলি কৰাত বহুখিনি সহায় আগবঢ়াইছিল। নকুল চন্দ্ৰ ভূঞা (১৮৯৫-১৯৬৮) এই যুগসন্ধিৰ এজন কৃতী গল্পসাধক। *চোৰাংচোৱাৰ চ'ৰা* (১৯১৮), *জোনোৱালি* (১৯৩৩), *গল্পৰ শৰাই* (১৯৬২) তেওঁৰ গল্পপুথি। তেওঁ আলোচনী, বাঁহী, চেতনা, আৱাহন আৰু ৰামধেনুতো গল্প ৰচনা কৰিছিল। নকুলচন্দ্ৰ ভূঞাৰ গল্পৰ বিষয়-বস্তু অতি সৰল আৰু কথনভংগী পোনপটীয়া। প্ৰেম আৰু দৰিদ্ৰতা তেওঁৰ গল্পৰ বিষয়-বস্তু আছিল। ভূঞাই প্ৰাক্-আৱাহন যুগৰ বাঁহী আৰু চেতনা আলোচনীত গল্পকাৰ হিচাপে আত্মপ্ৰকাশ কৰে যদিও আৱাহন যুগতহে গল্পকাৰ হিচাপে প্ৰতিষ্ঠা লাভ কৰে। প্ৰাক্-আৱাহন যুগৰ আন এজন বিশিষ্ট কথাশিল্পী মিত্ৰদেৱ মহন্ত (১৮৯৪-১৯৮২)ৰ একমাত্ৰ গল্প সংকলন *চন্দ্ৰহাৰ*।